NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 7**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ অধীনত ১০০ দিনীয়া বিশেষ অভিযান মুকলিৰ জৰিয়তে এই অভিযান অধিক শক্তিশালী হৈ উঠিছে বুলি মত প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ সম্ভাৱনাসমূহ বিকশাই তুলি অঞ্চলটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে প্ৰচেষ্টা চলাই আছে বুলি উত্তৰ পূৱ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে।

৩। বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে ভাৰতৰ লগতে সমগ্ৰ বিশ্বতে আঞ্চলিক অস্থিৰতাৰ সুদূৰ প্ৰসাৰী প্ৰভাব পৰে বুলি উল্লেখ কৰিছে।

৪। বাংলাদেশত থকা ভাৰতীয় উচ্চায়োগে কালি ৫৩ সংখ্যক মৈত্ৰী দিৱস উদযাপন কৰে।***আৰু***

৫। এডিলেইড অভেলত অনুষ্ঠিত বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টৰ দ্বিতীয় দিনা আজি ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াই ১৫৭ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ অধীনত ১০০ দিনীয়া বিশেষ অভিযান মুকলিৰ জৰিয়তে এই অভিযান অধিক শক্তিশালী হৈ উঠিছে বুলি মত প্ৰকাশ কৰিছে। এই অভিযানৰ মূল লক্ষ্য হৈছে যক্ষ্মা অধ্যুসিত জিলাসমূহত এই ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা। এটা সামাজিক মাধ্যমত দিয়া বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতে ৰোগীক দিয়া সমৰ্থন, জনসাধাৰণৰ অংশগ্ৰহণ, নতুন নতুন ঔষধ, প্ৰযুক্তিৰ ব্যৱহাৰ আৰু উন্নতমানৰ ৰোগ নিৰুপনকাৰী আহিলা আদি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি যক্ষ্মাৰ বিৰুদ্ধে যুঁজ দিছে। তেওঁ সকলোকে যক্ষ্মা ৰোগ নিৰ্মূলৰ অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ সম্ভাৱনাসমূহ বিকশাই তুলি অঞ্চলটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে প্ৰচেষ্টা চলাই আছে বুলি আজি উত্তৰ পূৱ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ আজিৰ কাৰ্যসূচীত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কালি মুকলি কৰা ৩ দিনীয়া এই মহোৎসৱত ২৫০গৰাকীৰো অধিক শিল্পীয়ে হস্তশিল্প, হস্ততাঁত, বস্ত্ৰ, উদ্যানশস্যৰ উপৰি ৩৪ বিধ ভৌগলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ থকা সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে। মহোৎসৱৰ কাৰ্যসূচীৰ অংশ হিচাপে ক্ৰেতা বিক্ৰেতাৰ সন্মিলন, ফেশ্বন শ্বো আদিও অনুষ্ঠিত হৈছে। আজিৰ অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই অংশ লৈ এই মহোৎসৱে বিভিন্ন ক্ষেত্ৰৰ লোকসকলক একত্ৰিত কৰিবলৈ সমৰ্থ হোৱা বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰি দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অপাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছিল। গুৱাহাটী, আগৰতলা, গেংটক, আইজল, শ্বিলং,

ইটানগৰ আৰু ক'হিমাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ভালেমান চহৰৰ মহানগৰসমূহৰ দৰে বৃহৎ সম্ভাৱনা আছে বুলিও শ্ৰীমোদীয়ে মন্তব্য কৰিছিল। অষ্টলক্ষ্মী মহোৎসৱৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে প্ৰথম আৰু অনন্য এই মহোৎসৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগৰ অপাৰ সুযোগ মুকলি কৰিব বুলিও আশা প্ৰকাশ কৰিছিল। কাইলৈ মহোৎসৱৰ সামৰণি পৰিব।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি উত্তৰ ওড়িশাৰ ময়ূৰভঞ্জ আৰু কেন্দুঝাৰ জিলাক সংযোজিত কৰিবলগীয়া ৬ হেজাৰ ২৯৪ কোটি টক্য ব্যায় সাপেক্ষ তিনিটা ৰে'লৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে গৃহ জিলা ময়ূৰভঞ্জত জনজাতি গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ, ৫২ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষ ১০০ খন বিচনাযুক্ত চিকিৎসালয় আৰু  আন আন বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। এই নতুন ৰে'লৱে লাইনকেইটাই বাংৰিপোচিৰ পৰা গৰুমাহিচানীক, বাদাম পাহাৰৰ পৰা কেন্দুঝাৰগড়ক আৰু বুদামাৰাৰ পৰা ছাকুলিয়াক সংযোজিত কৰিব। এই ৰে'লপথ কেইটাই যোগাযোগৰ ক্ষেত্ৰত সূচলতা বৃদ্ধিৰ লগতে অৰ্থনৈতিক বিকাশ আৰু অঞ্চলটোৰ জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অলপতে অনুষ্ঠিত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট সমিতিৰ বৈঠকত ৰে'লৱে প্ৰকল্পকেইটাৰ বাবে অনুমোদন জনোৱা হৈছিল। আধাৰশিলা স্থাপন অনুষ্ঠানত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিৰ লগতে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰাম উপস্থিত আছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে ৫ দিনীয়া ভ্ৰমণসূচীৰে যোৱা মঙলবাৰৰ পৰা গৃহ ৰাজ্য ওড়িশা ভ্ৰমণ কৰি আজি দুপৰীয়া দিল্লীলৈ উভতি আহে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস হৈছে জাতিৰ সাহসী জোৱানসকলৰ শৌৰ্য্য , দৃঢ়তা আৰু ত্যাগৰ প্ৰতীক। সশস্ত্ৰ বাহিনীৰ পতাকা দিৱস উপলক্ষে দিয়া বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে তেওঁলোকৰ সাহস আৰু ত্যাগে সকলোকে উৎসাহিত কৰাৰ লগতে বিনম্ৰ কৰি তোলে। শ্ৰী মোদীয়ে জনসাধাৰণক সশস্ত্ৰ বাহিনীৰ পতাকা দিৱসৰ পুঁজিলৈ বৰঙণি আগবঢ়াবলৈও আহ্বান জনায়।

oooooooo

বিদেশ মন্ত্ৰী এছ জয়শংকৰে ভাৰতৰ লগতে সমগ্ৰ বিশ্বতে  আঞ্চলিক অস্থিৰতাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰিছে। কাটাৰত আজি মুকলি হোৱা দোহা মঞ্চ ২০২৪ৰ এটা আলোচনা চক্ৰত অংশগ্ৰহণ কৰি ড০ জয়শংকৰে এনেদৰে কয়। কাটাৰৰ প্ৰধানমন্ত্ৰী আৰু নৰোৱেৰ বিদেশ মন্ত্ৰীৰ সৈতে নতুন যুগৰ সংঘাটৰ সৈতে মধ্যস্থতা সম্পৰ্কে আলোচনা কৰি শ্ৰী জয়শংকৰে দূৰৈৰ সংঘাতেও ভাৰতৰ অৰ্থনীতি আৰু নিৰাপত্তাৰ দিশত পেলোৱা স্পষ্ট প্ৰভাৱৰ বিষয়েও সজোৰে মত প্ৰকাশ কৰে। ভৌগোলিক ভাবে ভাৰত যথেষ্ট দূৰত্বত থাকিলেও এনে সংঘাতসমূহৰ প্ৰভাৱ খৰতকীয়াকৈ ভাৰতত পৰে বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে ভূমধ্য সাগৰীয় আৰু উপসাগৰীয় দেশসমূহত বাস কৰা ভাৰতীয় সম্প্ৰদায় আৰু বাণিজ্যিক প্ৰসাৰৰ বিষয়েও আঙুলিয়াই দিয়ে। শ্ৰী জয়শংকৰে লগতে আঞ্চলিক সংঘাটসমূহৰ প্ৰকৃতি ব্যাপক হৈ যোৱাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি কয়, যে দুবছৰৰ আগত অসম্ভৱ যেন লগা ইৰান আৰু ইজৰাইলৰ মাজৰ

শত্ৰুতা এতিয়া বাস্তৱত পৰিণত হৈছে। তেওঁ লোহিত সাগৰৰ উন্নয়ন আৰু এছিয়াৰ জাহাজ পথত ইয়াৰ প্ৰভাৱৰ বিষয়েও উদ্বেগ প্ৰকাশ কৰে। ইউক্ৰেইন সংঘাট সন্দৰ্ভত শ্ৰী জয়শংকৰে ৰাষ্ট্ৰপতি পুটিন আৰু জেলেনস্কিৰ সৈতে ভাৰত কূটনৈতিকভাৱে জড়িত হোৱা কথা উল্লেখ কৰি কয়, যে এই সমস্যাৰ যুদ্ধক্ষেত্ৰত কেতিয়াও সমাধান নোলাব।

২২ সংখ্যক দোহা মঞ্চৰ এইবাৰৰ বিষয়বস্তু হৈছে নতুন নতুন চিন্তা আৰু ধাৰণাৰে গ্ৰাহকৰ চাহিদা পূৰণ কৰাৰ উদ্দেশ্যে বিভিন্ন প্ৰতিষ্ঠানক কামত অগ্ৰসৰ হোৱাত উৎসাহিত কৰা। এই মঞ্চই ১৫০ খন দেশৰ ৪ হেজাৰ ৫০০ তকৈও অধিক অংশগ্ৰহণকাৰীক একত্ৰিত কৰিছে।

oooooooo

বাংলাদেশত থকা ভাৰতীয় উচ্চায়োগে কালি ঢাকাৰ ভাৰতীয় সাংস্কৃতিক কেন্দ্ৰত ৫৩ সংখ্যক মৈত্ৰী দিৱস উপলক্ষে এটা সাংগীতিক সন্ধিয়াৰ আয়োজন কৰে। উল্লেখযোগ্য যে ১৯৭১ চনৰ ৬ ডিচেম্বৰত ভাৰতে বাংলাদেশক স্বাধীনতা লাভৰ ১০ দিন পূৰ্বেই এখন স্বাধীন সাৰ্বভৌম দেশ হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। এই উপলক্ষে দিয়া ভাষণত বাংলাদেশত থকা ভাৰতৰ উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই এই উপলক্ষক এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে উল্লেখ কৰি কয়, যে ই হৈছে ভাৰত আৰু বাংলাদেশৰ মাজৰ সম্পৰ্কৰ এটা স্থায়ী অনুপ্ৰেৰণামূলক উৎস। উচ্চায়ুক্ত গৰাকীয়ে কয়, যে যুৱ প্ৰজন্মই ভাৰত-বাংলাদেশৰ সম্পৰ্কক ভৱিষ্যতে অধিক সুদৃঢ় কৰি ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। তেওঁ উভয় দেশৰ মাজত যোগাযোগ, সংস্কৃতি, বাণিজ্য আদি ক্ষেত্ৰত থকা সাম্প্ৰতিক আন্তঃনিৰ্ভৰশীলতা অধিক বৃদ্ধি পোৱাৰ লগতে শক্তিশালী হৈ উঠিব বুলিও আশা প্ৰকাশ কৰে।

oooooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে, মুম্বাই আৰু আহমেদাবাদৰ ৭টা স্থানত অভিযান চলাই আজি নগদ ১৩ কোটি ৫০ লাখ টকা জব্দ কৰে। বেংক অৱ মহাৰাষ্ট্ৰ আৰু নাছিক মাৰ্চেণ্ট সমবায় বেংকৰ একাউণ্টৰ পৰা ডেবিট লেনদেনৰ তদন্তত বিভিন্ন কোম্পানীলৈ শ শ কোটি টকাৰ হস্তান্তৰৰ তথ্য পোহৰলৈ আহিছে। একেদৰে ভুৱা একাউণ্টৰ পৰা যথেষ্ট ধন উলিয়াই মুম্বাই, আহমেদাবাদ আৰু চুৰাটৰ হাৱালা কাৰ্য্যকৰ্তালৈ প্ৰেৰণ কৰা হৈছিল। ইয়াৰ পূৰ্বে নৱেম্বৰ মাহত এই গোচৰৰ সৈতে জড়িত নাছিক মাৰ্চেণ্ট সমবায় বেংকৰ মালেগাওঁ শাখাত অভিযান চলোৱা হৈছিল।

oooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ৰাছিয়াত উপস্থিত হ'ব। এই ভ্ৰমণকালত তেওঁ ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলোছ'ভৰ সৈতে মস্কোত যুটীয়াভাৱে সামৰিক আৰু সামৰিক প্ৰযুক্তি সহযোগিতা সম্বন্ধীয় ২১ সংখ্যক ভাৰত-ৰাছিয়া আন্তঃচৰকাৰ আয়োগৰ বৈঠকত সভাপতিত্ব কৰিব। মন্ত্ৰী দুগৰাকীয়ে সামৰিক আৰু ঔদ্যোগিক সহযোগিতাৰ ক্ষেত্ৰত দেশ দুখনৰ মাজত থকা বহুমুখী সম্পৰ্কৰ পৰ্যালোচনা কৰিব। পাৰস্পৰিক স্বাৰ্থজড়িত সমসাময়িক আঞ্চলিক আৰু বিশ্বত চলি থকা বিষয়সমূহৰ সন্দৰ্ভতো আলোচনা কৰিব। ভ্ৰমণসূচীৰ অংশ হিচাপে ৯ ডিচেম্বৰত কালিনিনগ্ৰাডত শ্ৰীসিঙে ভাৰতীয় নৌবাহিনীৰ আই এন এছ টুছিলৰ অন্তৰ্ভুক্তি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মস্কোত থকা স্মাৰকত

দ্বিতীয় বিশ্বযুদ্ধত শ্বহীদ হোৱা ছোভিয়েট সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। মস্কোত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মত-বিনিময় অনুষ্ঠানত ভাগ ল'ব।

oooooooo

এডিলেইড অভেলত অনুষ্ঠিত বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টৰ দ্বিতীয় দিনা ভাৰতৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াই নিজৰ আধিপত্য অক্ষুণ্ণ ৰাখিছে। দ্বিতীয় দিনাৰ খেলৰ অন্তত আলহী দল ভাৰতে ৫টা উইকেটৰ বিনিময়ত ১২৮ ৰান সংগ্ৰহ কৰি এতিয়াও ঘৰুৱা দল অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ স্কোৰতকৈ ১৯ ৰানত পিছ পৰি আছে। আজি খেল সামৰাৰ পৰত ঋষভ পণ্ট আৰু নীতিশ ৰেড্ডীয়ে ভাৰতৰ হৈ বেট ধৰি আছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৩৩৭ ৰান কৰি ১৫৭ ৰানৰ অগ্ৰগতি লাভ কৰে। ট্ৰেভিছ হেডে ১৪০ ৰান কৰে। ইপিনে ভাৰতৰ হৈ মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাহে ৪টাকৈ উইকেট দখল কৰে।

উল্লেখযোগ্য যে, অষ্ট্ৰেলিয়াই আজি পুৱা কালি ১ উইকেটত সংগ্ৰহ কৰা ৮৬ ৰাণৰ পৰা খেল আৰম্ভ কৰিছিল। ইয়াৰ আগতে টছত জিকি ভাৰতে কালি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিজৰ প্ৰথম ইনিংছত আটাইকেইটা উইকেটৰ বিনিময়ত ১৮০ ৰাণ সংগ্ৰহ কৰিছিল।

ভাৰতে ইতিমধ্যে পাঁচখনীয়া টেষ্ট শৃংখলাৰ পাৰ্থত অনুষ্ঠিত প্ৰথমখন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ২৯৫ ৰানত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

oooooooo

সমাপ্ত